# নিৰ্মল সংবাদ

*তিনিমহীয়া আলোচনী*

নীৰ নিৰ্মল পৰিযোজনা কামৰূপ (মহানগৰ),
সংখ্যা ঃ ৫ (জুন,২০১৯ খণ্ড)

## বিষয়সূচী


- পানী যোগান প্ৰকল্পৰ অগ্ৰগতিৰ খতিয়ান - ২
- পঞ্চায়ত ভিত্তিত সংগ্ৰহিত ৰাইজৰ অংশীদাৰিত্ব বৰঙণীৰ খতিয়ান - ২
- অংশীদাৰী সকলৰ সচেতনটা বৃদ্ধিৰ প্ৰদক্ষেপ সমূহ - ৩
- ঘৰুৱা পানী যোগান সংযোগ ব্যাৱস্থাৰ বাবে প্ৰস্তুত কৰা প্ৰস্তাৱিত আদি লেখা (Protocol) - ৪
- গাঁও পঞ্চায়ত পানী যোগান সমিতি (GPWSC) আৰু ইয়াৰ ভূমিকা - ৫
- বিশুদ্ধ খোৱা পানীৰ সম্পৰ্কে ৰাইজৰ আচৰণগত পৰিৱৰ্তন - ৬
- ঘৰুৱা পানী সংযোগ ব্যবস্থাপনাৰ বাবে হোৱা জৰিপ - ৭
- চিত্ৰ সংগ্ৰহ - ৮


## নীৰ নিৰ্মল পৰিযোজনা: অসম

## গোহাৰি

শ্ৰদ্ধাৰ ৰাইজ,

আপোনালোকৰ বহু প্ৰত্যাশিত নীৰ-নিৰ্মল পৰিযোজনাৰ খোৱা-পানী এতিয়া আপোনাৰ পদূলিত। আপোনালোকক প্ৰকল্পৰ তৰফৰপৰা ১০ মিটাৰ দৈৰ্ঘ্যৰ ২০ মিঃমিঃ ব্যাসৰ পানী পৰিবাহী পাইপ (PP-R Pipe), এটা পানীৰ মিটাৰ, এটা পানীৰ টেপ আৰু প্ৰয়োজন সাপেক্ষে এটা ষ্টেণ্ড পোষ্ট (Stand Post) যোগান ধৰা হ'ব। এইখিনি বস্তু লগোৱাৰ বিনিময়ত কোনোধৰণৰ পৰিশ্ৰমিক (Labour Charge) দিব নালাগে। কিন্তু যদি গৃহস্থই টেপতো বা ষ্টেণ্ড-পোষ্টতো বিতৰণ পাইপৰ পৰা ১০ মিটাৰতকৈ অধিক দূৰত্বত নিজৰ সুবিধাজনক স্থানত স্থাপন কৰিব বিচাৰে তেন্তে অতিৰিক্ত পাইপ আৰু আনুষঙ্গিক উপকৰণ সমূহৰ খৰচ গৃহস্থই নিজে বহন কৰিব লাগিব। প্ৰয়োজন হোৱা অতিৰিক্ত পাইপ আৰু আনুষঙ্গিক উপকৰণ সমূহ গৃহস্থই নিজে বজাৰৰ পৰা কিনি আনি লগাই ল'ব পাৰে বা নীৰ-নিৰ্মল পৰিযোজনাৰ ঠিকাদাৰী প্ৰতিস্থানৰ পৰাও ক্ৰয় কৰিব পাৰে। যদি গৃহস্থই ঠিকাদাৰী প্ৰতিস্থানৰ পৰা অতিৰিক্ত সামগ্ৰীসমূহ ক্ৰয় কৰিব বিচাৰে, তেন্তে সামগ্ৰীসমূহৰ আণুমানিক মূল্য তলত উল্লেখ কৰা ধৰণৰ হ'ব।

১। পিপি-আৰ পাইপ (PP-R Pipe, PN-16/SDR 7.4 3 layer 20 mm) প্ৰতি মিটাৰ ৩৬ টকা।
২। পিপি-আৰ ছকেট ২০ মিঃমিঃ (PP-R Socket 20 mm) প্ৰতিটোৰ মূল্য ১৪ টকা।
৩। পিপি-আৰ এলবো ২০ মিঃমি (PP-R Elbow 20 mm) প্ৰতি মিটাৰ মূল্য ১৪ টকা।
৪। অতিৰিক্ত পাইপ বহুৱাৰ বাবদ পাৰিশ্ৰমিক (Labor Charge) প্ৰতি মিটাৰত ১০ টকা।

নীৰ-নিৰ্মল পৰিযোজনাৰ ঠিকাদাৰী প্ৰতিস্থানৰ যোগাযোগৰ নম্বৰ ৯০৮৫০৭১৯২১

নীৰ নিৰ্মল পৰিযোজনা, কামৰূপ জিলা প্ৰকল্প পৰিচালনা গোটৰদ্বাৰা প্ৰচাৰিত










# পানী যোগান প্ৰকল্পৰ অগ্ৰগতিৰ খতিয়ান




## পঞ্চায়ত ভিত্তিত সংগ্ৰহিত ৰাইজ ৰ অংশিদাৰিত্ব বৰঙণীৰ খতিয়ান

নীৰ নিৰ্মল পৰিযোজনাৰ অধিনত ২০১৫-১৬ বৰ্ষত অনুষ্ঠিত হোৱা সমীক্ষা অনুসৰি পঞ্চায়ত ভিত্তিত ৰাইজৰ পৰা সংগ্ৰহিত হ'ব লগা মুঠ ধন আৰু বৰ্তমানলৈকে ৰাইজৰ পৰা সংগ্ৰহিত হোৱা মুঠ ধনৰ খতিয়ান এনেধৰণ।

| ক্ৰমিক নং | গাঁও পঞ্চায়তৰ নাম | অনুসূচীত জাতিৰ ঘৰৰ সংখ্যা | অনুসূচীত জনজাতিৰ ঘৰৰ সংখ্যা | সাধাৰণ পৰিয়ালৰ ঘৰৰ সংখ্যা | সংগ্ৰহিত হ'ব লগা মুঠ ধনৰ পৰিমাণ | মুঠ সংগ্ৰহিত ধন | অংশিদাৰিত্ব বৰঙণীৰ শতকৰা পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 1 | আমচিং | 359 | 218 | 2026 | 1041525 | 422100 | 41% |
| 2 | চন্দ্ৰপুৰ | 203 | 497 | 1232 | 711900 | 530495 | 75% |
| 3 | পানিখাইতি | 1079 | 769 | 2208 | 1409400 | 749475 | 53% |
| 4 | পশ্চিম মায়ং | 1230 | 232 | 933 | 748800 | 331400 | 44% |
| 5 | বৰখাত | 146 | 1076 | 872 | 667350 | 342725 | 51% |
| 6 | বৰুৱাবাৰী | 553 | 265 | 1021 | 643500 | 300930 | 47% |
| 7 | ধুপগুৰি | 285 | 938 | 518 | 508275 | 264550 | 52% |
| 8 | ডিগাৰু | 487 | 503 | 344 | 377550 | 167050 | 44% |
| 9 | হহৰা | 996 | 680 | 1202 | 918000 | 505600 | 55% |
| 10 | কমাৰকুচি | 424 | 954 | 799 | 669600 | 471930 | 70% |
| 11 | ক্ষেত্ৰী | 701 | 983 | 1184 | 911700 | 517800 | 57% |
| 12 | মালৈবাৰী | 1449 | 31 | 955 | 762750 | 349500 | 46% |
| 13 | নৰটাব | 25 | 1653 | 422 | 567450 | 289800 | 51% |
| 14 | সোনাপুৰ | 207 | 396 | 2043 | 1055025 | 258296 | 24% |
| 15 | টোপাটলী | 1164 | 892 | 799 | 822150 | 391790 | 48% |
| 16 | তেতেলীয় | 251 | 501 | 1001 | 619650 | 261675 | 42% |
| | | 9559 | 10588 | 17559 | 12434625 | 6155116 | 49% |

# অংশীদাৰী সকলৰ সচেতনটা বৃদ্ধিৰ প্ৰদক্ষেপ সমূহ

বিগত এপ্ৰিল, মে আৰু জুন মাহত নীৰ নিৰ্মল পৰিয়োজনাৰ অন্তৰ্গত জিলা প্ৰকল্প পৰিচালনা গোট কামৰূপৰ তত্বাবধানত অনুষ্ঠিত হোৱা সচেতনটা বৃদ্ধি প্ৰদক্ষেপ সমুহ এনেধৰণৰ

| ক্ৰমিক নং | পদক্ষেপ সমূহ | মুঠ সংখ্যা |
|---|---|---|
| ১ | জিলা ভিত্তিত হোৱা পৰ্য্যালোচনা সভা | ৩ |
| ২ | উন্নয়ন খণ্ড ভিত্তিত হোৱা সজাগতা সভা | ১ |
| ৩ | উন্নয়ন খণ্ড ভিত্তিত অনুষ্ঠিত হোৱা স্বচ্ছতাৰ কৰ্মশালা | ৩ |
| ৪ | পঞ্চায়ত ভিত্তি অনুষ্ঠিত হোৱা কৰ্মশালা | ৫ |
| ৫ | পঞ্চায়ত ভিত্তিত অনুষ্ঠিত হোৱা স্বচ্ছতাৰ সজাগতা সভা | ২ |
| ৬ | ৱাৰ্ড ভিত্তিত অনুষ্ঠিত হোৱা স্বচ্ছতাৰ সজাগতা সভা | ২ |
| ৭ | গাঁও ভিত্তিত অনুষ্ঠিত হোৱা স্বচ্ছতাৰ সজাগতা সভা | ১৩ |
| ৮ | চুবুৰী ভিত্তিত অনুষ্ঠিত হোৱা স্বচ্ছতাৰ সজাগতা সভা | ১৬ |








# ঘৰুৱা পানী যোগান সংযোগ ব্যাৱস্থাৰ বাবে প্ৰস্তুত কৰা প্ৰস্তাৱিত আদি লেখা (Protocol)

*পাৰ্থ প্ৰতিম শৰ্মা*
*প্ৰজেক্ট ইঞ্জিনীয়াৰিং স্পেচিয়েলিষ্ট*

বিকেন্দ্ৰীকৃত সেৱা প্ৰদানৰ জৰিয়তে গ্ৰামঞ্চলত প্ৰতিটো গৃহতে উন্নত মানৰ নলীযুক্ত খোৱা পানী যোগানৰ সুবিধাৰ লগতে অনাময় সেৱা প্ৰদান কৰাৰ উদ্দেশ্যৰে ভাৰত চৰকাৰৰ খোৱাপানী আৰু অনাময় মন্ত্ৰনালয় (এম. ও.ডি.এছ. ডব্লিও) আৰু অসম চৰকাৰে বিশ্ব বেংকৰ সহায়ত যুটিয়া ভাৱে নীৰ নিৰ্মল পৰিযোজনা নামৰ এক উৎসৰ্গিত আঁচনি তৈয়াৰ কৰিছে। এই প্ৰকল্প ভাৰতৰ চাৰিখন ৰাজ্যত ৰূপায়ন কৰা হৈছে, সেয়া হ'ল অসম, বিহাৰ ঝাৰখণ্ড আৰু উত্তৰ প্ৰদেশ।

অসমত ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰি বিভাগৰ তত্বাৱধানত এই প্ৰকল্প ৰূপায়ন কৰি থকা হৈছে। প্ৰকল্প জিলাসমূহৰ বাচনি কৰা গাঁও পঞ্চায়ত সমূহত অধিক বহনক্ষম ভিত্তিত ৭০ এল. পি.চি.ডি. হিচাপে মিটাৰযুক্ত ব্যৱস্থাৰ জৰিয়তে প্ৰতিদিনে ২৪ ঘণ্টাই খোৱা পানী যোগান ধৰাই হৈছে এই প্ৰকল্পৰ প্ৰধান উদ্দেশ্য।

ওপৰত উল্লেখ কৰা ধৰণে দিবলগীয়া প্ৰতিটো ঘৰুৱা পানী যোগান সংযোগ ব্যাৰস্থা সুৰক্ষিত আৰু স্বাস্থ্যসন্মত কৰিবৰ কাৰণে কিছুমান আদি লেখা (Protocol) প্ৰস্তুত কৰাৰ বাবে প্ৰস্তাৱ ৰখা হৈছে। এই আদি লেখা সমূহ তলত উল্লেখ কৰা হ'ল।

১) নীৰ নিৰ্মল পৰিযোজনাৰ পানী কেৱল খোৱা আৰু ৰন্ধন কাৰ্য্যৰ বাবেহে ব্যৱহাৰ কৰিব লাগে।

২) ষ্টেণ্ড পোষ্ট এনে স্থানত স্থাপন কৰিব লাগে যাতে ই ব্যৱহাৰৰ বাবে সহজসাধ্য হয়। যদি উপভোক্তাই ষ্টেণ্ড পোষ্টটো ১০ মিটাৰকৈ অধিক দুৰত্বত নিজৰ সুবিধাজনক স্থানত স্থাপন কৰিব বিচাৰে তেন্তে অতিৰিক্ত পাইপৰ খৰচ উপভোক্তাই নিজে বহন কৰিব লাগিব।

৩) ষ্টেণ্ড পোষ্টৰ ওচৰত জমা হোৱা পানী নিস্কাষণৰ সুব্যাৱস্থা কৰাৰ দায়িত্ব উপভোক্তাৰ নিজৰ।

৪) উপভোক্তাই ষ্টেণ্ড পোষ্টৰ তলত নিজৰ দায়িত্বত এখন প্লেটফৰ্ম নিৰ্মাণ কৰি ল'ব লাগিব।

৫) ৱাটাৰ মিটাৰ সংস্থাপনৰ সময়ত উপভোক্তাই মিটাৰৰ ৰীডিং যাতে শুন্য হয় সেইয়া নিশ্চিত কৰি ল'ব লাগে।

৬) ৱাটাৰ মিটাৰ সদায় উপভোক্তাৰ চৌহদৰ পৰিসীমাৰ ভিতৰত সংস্থাপনৰ ব্যাৱস্থা কৰিব লাগে।

৭) ৱাটাৰ মিটাৰৰ সংস্থাপনৰ স্থান এনে হ'ব লাগে যাতে ই কোনো বহিৰাগত কাৰকৰ দ্বাৰা ক্ষতিগ্ৰস্থ নহয়।

৮) ৱাটাৰ মিটাৰৰ সংস্থাপনৰ স্থান এনে হ'ব লাগে যাতে মিটাৰ ৰীডাৰ জনে সহজে মিটাৰৰ ৰীডিং ল'ব পাৰে।

৯) প্ৰতিটো ৱাটাৰ মিটাৰৰ ওপৰত ঘৰৰ আই ডি নং লিখা থাকিব লাগিব।

১০) উপভোক্তাৰ অপব্যাৱহাৰৰ বাবে যদি ৱাটাৰ মিটাৰ, প্লাষ্টিকৰ টেপ বা ষ্টেণ্ড পোষ্টাৰ কোনোধৰণৰ বিজুতি ঘটে ব ক্ষয়ক্ষতি হয়, তেন্তে তাৰ মেৰামতি বা বদলিৰ দায়িত্ব উপভোক্তাৰ নিজৰ।





# গাঁও পঞ্চায়ত পানী যোগান সমিতি (GPWSC) আৰু ইয়াৰ ভূমিকা

*ড প্ৰাঞ্জল কলিতা*
*কমিউনিটি এণ্ড কমিউনিকেশ্যন ডেভেলপমেণ্ট স্পেছিয়েলিষ্ট*

মানুহজন সোমাই আহিছে, পিন্ধনত তেওঁৰ শুভ্ৰ ধূতি আৰু চোলা। ধূতিখন দক্ষিণ ভাৰতীয় ষ্টাইলত মেৰিয়াই পিন্ধা। সভাকক্ষত বহি থকা আটাইকেইজন মানুহে বহা আসনৰ পৰা উঠি দিছে আগন্তুকৰ সন্মানত। মানুহজন আহি তেওঁৰ বাবে নিৰ্দিষ্ট কৰি থোৱা আসনখনত বহিল। বাকী মানুহবোৰো নিজ নিজ আসনত বহি দিলে। মানুহজন আন কোনো নহয়, তেওঁ স্থানীয় গাঁও পঞ্চায়তৰ সভাপতি। মই কেৰেলাৰ তিৰুচিলাপল্লিৰ পৰা কিছু দূৰৰ নাদাথাৰা গাঁও পঞ্চায়তৰ কথা কৈছো। আমি অসমৰ পৰা যোৱা অতিথি, উদ্দেশ্য তেওঁলোকে সফল ভাৱে ৰূপায়ন কৰি থকা পানীযোগান আঁচনিৰ অধ্যায়ন। সভাপতিয়ে ইংৰাজীতে ভাষণ আৰম্ভ কৰিলে, মাজে মাজে লেপটপ কম্পিউটাৰৰ সহায়ত পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যন। কেৰেলাৰ সেই পঞ্চায়তৰ সভাপতি গৰাকীৰ কোনো অহংকাৰ নাই, নাই কোনো দুৰ্নীতি-প্ৰীতি আছে কেৱল নিজৰ মানুহখিনিৰ বাবে কিবা কৰাৰ এক দুৰ্বাৰ আকাঙ্খা আৰু এই আকাঙ্খাক বাস্তৱ ৰূপ দিবলৈ আন্তৰিকতা। এটা পানী যোগান আঁচনি ইমান সফল ভাৱে ৰূপায়ন আৰু পৰিচালনা কৰি ৰাইজক বিশুদ্ধ পানী যোগান ধৰা দেখি আমি বিশ্বাস কৰিবলৈ বাধ্য হৈছিলো যে ইচ্ছা কৰিলে এখন পঞ্চায়তে কৰিব নোৱাৰা কাম একো নাই আৰু অসমতো ই সম্ভৱ।



কামৰূপ (মহানগৰ জিলাৰ ১৬ টা গাঁও পঞ্চায়ত সামৰি আৰম্ভ কাৰ হৈছে এক বৃহৎ খোৱাপানী যোগান আঁচনি। লক্ষ্য এই ১৬ টা পঞ্চায়তৰ প্ৰত্যেক ঘৰ মানুহক নলযোগে দিনৰ ২৪ ঘণ্টাই বিশুদ্ধ খোৱাপানী যোগান ধৰা। এই প্ৰকল্পটোৰ বাবে ৰাইজে ক্ৰমে ২২৫ টকা আৰু ৪৫০ টকা বৰঙণি হিচাপে আগবঢ়াই অংশীদাৰ হৈছে। এই প্ৰকল্পৰ কাম আগবঢ়াই নিবলৈ বা পিছলৈ সম্পূৰ্ণৰূপে চোৱা-চিতা কৰিবলৈ প্ৰত্যেক খন গাঁও পঞ্চায়তত একোখনকৈ গাঁও পঞ্চায়ত পানী যোগান আৰু অনাময় সমিতি (GPWSC) থাকিব। পানী যোগান প্ৰকল্পটো সফল ভাৱে ৰূপায়ন কৰাত এইখন সমিতিয়ে মূল ভূমিকা পালন কৰিব। এইখন সমিতিত অধ্যক্ষ হিচাপে থাকিব গাঁও পঞ্চায়তৰ সভাপতি বা সভানেত্ৰী, সদস্য সচিব হিচাপে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উক্ত পঞ্চায়তৰ দায়িত্বত থকা কনিষ্ঠ/ সহকাৰী অভিযন্তা আৰু কোষাধক্ষ্য হিচাপে থাকিব গাঁও পঞ্চায়তৰ সচিব গৰাকী। ৱাৰ্ড-মেম্বাৰ কেইগৰাকী এইখন সমিতিৰ সদস্য হৈ থকাৰ উপৰিওঁ পঞ্চায়তৰ গাঁও স্বাস্থ্য আৰু অনাময় সমিতিৰ সভাপতি গৰাকী আৰু পঞ্চায়তৰ অন্তৰ্গত আশা আৰু অংগনাবাদী কৰ্মী কেইগৰাকীমান সদস্য হৈ থাকিব। ৰাইজৰ মাজত বিশুদ্ধ পানী সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে নীৰ নিৰ্মল পৰিযোজনা সম্পৰ্কীয় কাম কাজ সমূহৰো নজৰ ৰাখিব। এইখন সমিতিৰ এটা বেংক একাউণ্ট আছে য'ত এতিয়ালৈ ৰাইজৰ পৰা সংগ্ৰহ কৰা বৰঙণি সমূহ জমা হৈ আছে। এই বেংক একাউণ্টত সমিতিৰ অধ্যক্ষ আৰু সদস্য সচিবৰ যুটীয়া সাক্ষৰ থাকে। আজিৰ তাৰিখত এই বেংক একাউণ্ট সমূহ গুৱাহাটীৰ জি.এচ ৰোডত থকা এলাহবাদ বেংকৰ শাখাত আছে। নতুন সমিতিয়ে ইচ্ছা কৰিলে বেংক একাউণ্ট সমূহ নিজৰ বাবে সুবিধাজনক ঠাইত থকা বেংকৰ শাখালৈ স্থানান্তৰ কৰিব পাৰে। যিবোৰ পৰিয়ালে এতিয়াওঁ বৰঙণি সমূহ আদায় দিয়া নাই তেওঁলোকক‌ো অতি সোনকালে এই প্ৰকল্পৰ অংশীদাৰ কৰাত সমিতিয়ে আগভাগ ল'ব লাগে। এইখন সমিতিয়ে ৰাইজ আৰু জিলা প্ৰকল্প পৰিচালন গোটৰ মাজত এক যোগসূত্ৰ হিচাপে কাম কৰে। প্ৰত্যেক মাহতে এখনকৈ পৰ্যালোচনা সভা অনুষ্ঠিত কৰিব লাগে। নীৰ নিৰ্মল পৰিযোজনাৰ বাবে প্ৰত্যেক গাঁও পঞ্চায়তত দুগৰাকীকৈ স্বেচ্ছাসেৱক যাক কাম কৰি আৰু আমি কমিউনিটি মবিলাইজাৰ বুলি কওঁ, তেওঁলোকে এইখন সমিতিৰ হৈ কাম কৰিব। তেওঁলোকক জিলা প্ৰকল্প পৰিচালনা গোটৰ পৰা দিয়া কাম বোৰ সমিতিৰ লগত আলোচনা কৰি ৰূপায়ন কৰিব আৰু মাহৰ শেষত কমিউনিটি মবিলাইজাৰে জমা দিয়া ৱৰ্ক ৰিপৰ্টত সমিতিৰ অধ্যক্ষৰ জনে সাক্ষৰ কৰিব। পিছৰ পৰ্য্যায়ত মিটাৰ ৰিডিং কৰা, বিল বনোৱা সৰু-সুৰা মেৰামতি আদিৰ কামৰ লগতে নতুন গৃহ সংযোগ ব্যৱস্থাপনা আদিৰ কাম ৰূপায়ন আৰু চোৱাচিতা কৰিব লাগিব। প্ৰকল্পৰ তৰফৰ পৰা নতুনকৈ নিৰ্বাচিত হৈ অহা পঞ্চায়ত প্ৰতিনিধি সকলক নীৰ নিৰ্মল পৰিযোজনাৰ বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে ব্যৱস্থা কৰা হৈছে। নকৈ নিৰ্বাচিত হৈ অহা ১৬ টা গাঁও পঞ্চায়তৰ ভিতৰত ৯ টা গাঁও পঞ্চায়তৰ সমিতি ইতিমধ্যে গঠন আৰু প্ৰশিক্ষণ সম্পূৰ্ণ হৈছে আৰু তেওঁলোক বহুত যোগাত্মক। আমিওঁ আশা কৰো কেৰেলাই যিদৰে গ্ৰাম্য পানীযোগান আঁচনিত সফলতা লভিছে কামৰূপ জিলাৰ এই প্ৰকল্পইওঁ সফলতা লভক আৰু ইয়াৰ নেতৃত্ব দিয়ক গাঁও পঞ্চায়ত আৰু অনাময় সমিতিয়ে এই ক্ষেত্ৰত আগভাগ লওঁক।



# বিশুদ্ধ খোৱা পানীৰ সম্পৰ্কে ৰাইজৰ আচৰণগত পৰিৱৰ্তন

*জোনালী কলিতা*
*খণ্ড সমন্বয়কাৰী (Block Co-ordinator)*
*চন্দ্ৰপুৰ উন্নয়ন খণ্ড NNP, কামৰূপ*

সেয়া ২০১৫ চনৰ কথা সেই সময়ত আমি এখনৰ পিছত এখন গাঁওলৈ গৈ ৰাইজৰ খোৱা পানীৰ সন্দৰ্ভত কথা পাতো বা সমস্যাৰ বুজ লওঁ। সেই সময়ত সকলো ৰাইজে চকুৰে দেখাত পৰিস্কাৰ যেন লাগিলেই পানী বিশুদ্ধ বা খোৱাৰ উপযোগী বুলি ভাবিছিল আৰু চকুৰে দেখা নোপোৱা বা চকুৰে মনিব নোৱাৰা জীৱ বা বেক্টেৰীয়া ও যে পানীত থাকিব পাৰে সেই কথা সেই সময়ত তেওঁলোকে কৈছিল আৰু আমি শুনিছিলো। তাৰ পিছত আমি ৰাইজক নীৰ নিৰ্মল পৰিযোজনাৰ বিষয়ে অৱগত কৰালো। প্ৰথম অৱস্থাত পৰিযোজনাখনিৰ কথা ৰাইজে বিশ্বাস কৰিব খোজা নাছিল। আমি এখনৰ পিছত আন এখন সজাগতা সভা আহ্বান কৰি ৰাইজক বিশুদ্ধ খোৱা পানীৰ প্ৰয়োজনিয়তাৰ বিষয়ে বুজোৱাৰ লগতে পানীৰ বিভিন্ন ধৰণৰ পৰীক্ষা নিৰিক্ষা কৰি দেখুৱাইছিলো। পিছলৈ ৰাইজে বুজি পালে যে চকুৰে দেখাত পৰিস্কাৰ যেন লাগিলেওঁ পানী বিশুদ্ধ নহবও পাবে বা খোৱাৰ কাৰণে উপযোগী নহবও পাৰে লগতে বিশুদ্ধ খোৱা পানী নোখোৱাৰ ফলত হ'ব পৰা নানা ধৰণৰ বেমাৰ আজাৰ আদিৰ কথা জানিব পাৰি নীৰ নিৰ্মল পৰিযোজনাত ৰাইজৰ অংশীদাৰিত্ব বৰঙণি দিবলৈও আগবাঢ়ি আহিল। বৰ্তমান সময়ত চন্দ্ৰপুৰ উন্নয়ন খণ্ডৰ অধিকাংশ ৰাইজে বিশুদ্ধ খোৱা পানীৰ বাবে নীৰ নিৰ্মল পৰিযোজনাত ৰাইজৰ যি ১% বৰঙণী ভাৰ আছে সেয়া বহন কৰিছে আৰু প্ৰতিদিনে এই অংশিদাৰিত্বৰ সংখ্যা ক্ৰমাত বৃদ্ধি হৈ গৈ আছে আৰু বৰ্তমান সময়ৰ দৰে চলি গৈ থাকিলে অনাগত দিনত অতি কম সময়তে চন্দ্ৰপুৰ উন্নয়ন খণ্ডৰ সমূহ ৰাইজৰ পৰিযোজনাৰ যোগেদি বিশুদ্ধ খোৱা পানী পাবলৈ সকল হ'ব।






# ঘৰুৱা পানী সংযোগ ব্যৱস্থাপনাৰ বাবে হোৱা জৰীপ



জিলা প্ৰকল্প পৰিচালনা গোট, নীৰ নিৰ্মল পৰিযোজনা কামৰূপ জিলাৰ অধীনত বিগত ১৪ মে’ ২০১৯ ৰ পৰা ৩০ জুন ২০১৯ লৈকে চন্দ্ৰপূৰ, পানীখাইতি আৰু পশ্চিম মায়ং গাঁও পঞ্চায়তত পৰিযোজনাৰ পানী যোগান প্ৰকল্পৰ যোগেদি ঘৰুৱা পানী সংযোগ ব্যৱস্থাপনাৰ নিমিত্তে ইয়াৰ উপভোক্তা সকলৰ বাসগৃহত এক জৰীপ কাৰ্য্যসূচী সমাপন কৰা হয়। এই জৰীপ কাৰ্য্যসূচীৰ মূলতে আছিল উপভোক্তা সকলৰ বাসগৃহত প্ৰয়োজন অনুসৰি দিব লগীয়া ষ্টেণ্ড পোষ্ট আৰু পানীৰ মিটাৰৰ বাবে স্থান নিধাৰণ কৰাৰ লগতে মূল পৰিবাহী পইপৰ পৰা ষ্টেণ্ড পোষ্ট আৰ মিটাৰৰ দূৰত্বৰ তথ্য সংগ্ৰহ কৰা আৰু প্ৰয়োজন সাপেক্ষে অতিৰিক্ত পাইপৰ প্ৰয়োজনীয়তাৰ বিষয়ে উপভোক্তাক জনোৱা।

এই জৰীপ কাৰ্য্যসূচী ৰূপায়ন কৰে পৰিযোজনাৰ কামত নিয়োজিত কমিউনিটি মবিলাইজাৰ আৰু গাঁও পঞ্চায়তৰ যোগেদি নিৰ্বাচিত ইনিউমাৰেটৰ (Enumaratar) সকলে। ইয়াৰ বাবে বিগত ৬ মে’ ২০১৯ ত জিলা ভিত্তিত এক প্ৰশিক্ষণ কাৰ্য্যসূচীও সমাপন কৰা হয়। জিলা প্ৰকল্প পৰিচালক বিষয়াৰ তত্বাবধানত অনুস্থিত এই প্ৰশিক্ষণ কাৰ্য্যসূচীত তথ্য সংগ্ৰহ প্ৰক্ৰিয়াৰ বাবে বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়াই। এই জৰীপ কাৰ্য্যসূচী অকল সেইসকল আবসীৰ বাসগৃহতহে হৈছে যি সকল আবাসীয়ে পৰিযোজনাৰ বাবে ১% অংশিদাৰিত্ব বহঙনি গাঁও পঞ্চায়তৰ কাৰ্য্যলয়ত জমা দিছে।



জৰীপৰ এই তথ্য অনুসৰি একদিক্ৰমে পানীৰ গৃহ সংযোগ ব্যৱস্থাপনাৰ কামসমূহে আগন্তুক দিনত আৰম্ভ হ’ব।





# চিত্ৰ সংগ্ৰহ

বিগত ৮ মে’ ১৯২০ ত  বিশ্ব বেংকৰ পৰা অহা বিভিন্ন বিষয় ববিয়াই তাতিমাৰা গাঁওত অৱস্থিত নীৰ নিৰ্মল পৰিযোজনাৰ পানীৰ প্ৰকল্পটি আৰু ইয়াৰ উপভোক্তা সকলৰ বাসগৃহ সমূহ পৰিদৰ্শন কৰাৰ কিছু দৃশ্যাংশ।









